# অকঁনিহতঁৰ বাবে বাইবেলখন

আগবঢ়াইছে



# নোহ আৰু মহা জলপ্লাৱন


লিখিছে: Edward Hughes
ব্যাখ্যা কৰিছে: Byron Unger; Lazarus
Alastair Paterson
গ্ৰহণ কৰিছে: M. Maillot; Tammy S.
অনুবাদ কৰিছে:
ডঃ শান্তি ৰাণী সিং, এম. এচ. চি. পি. এইচ. ডি.
প্ৰকাশ কৰিছে: Bible for Children
www.M1914.org

BFC
PO Box 3
Winnipeg, MB R3C 2G1
Canada



©2020 Bible for Children, Inc.
অনুমতি: এই কাহিনীটো নকল বা ছপা কৰা অধিকাৰ আপোনাৰ আছে, কিন্তু ইয়াক বিক্ৰী নকৰিব।




নোহ ঈশ্বৰক আৰাধনা কৰা লোক আছিল। আন সকলোৱেই ঈশ্বৰক ঘৃণা কৰিছিল আৰু তেওঁৰ অবাধ্য আছিল। এদিন ঈশ্বৰে নোহক এক আশ্চৰ্য্যজনক কথা কলে, “দুষ্টতাৰে পৰিপূৰ্ণ এই পৃথিৱীখনক মই বিনষ্ট কৰিম।” “কেৱল তোমাৰ পৰিয়ালে ৰক্ষা পাব।”




ঈশ্বৰে নোহক সাৱধান কৰি দিছিল যে, “এক মহা জলপ্লাৱন হব আৰু পৃথিৱী ঢাকি ধৰিব।” নোহক আদেশ দিয়া হৈছিল, “কাঠেৰে এখন জাহাজ নিৰ্ম্মাণ কৰা, এখন প্ৰকাণ্ড নাওঁ যত তোমাৰ পৰিয়াল আৰু অনেক জীৱ-জন্তু থাকিব পাৰিব।” নোহক ঈশ্বৰে সঠিক নিৰ্দ্দেশ দিছিল। নোহ ব্যস্ত হৈ পৰিল!
3


জাহাজখন কিয় নিৰ্ম্মাণ কৰিছে, এই কথা বুজাই দিওঁতে লোকবিলাকে সম্ভৱ তেওঁক ঠাট্টা কৰিছিল। কিন্তু নোহে নিৰ্ম্মাণ কাৰ্য্য
চলাই থাকিল। লোকবিলাকৰ আগত তেওঁ ঈশ্বৰৰ বিষয়েও কৈ থাকিল। কোনেও তেওঁৰ কথা নুশুনিলে।
4


নোহৰ দৃঢ় বিশ্বাস আছিল। আগতে কেতিয়াও বৰষুণ নপৰা সত্ত্বেও তেওঁ ঈশ্বৰক বিশ্বাস কৰিছিল। নানা বিধ সামগ্ৰীৰে পূৰ কৰিব পৰাকৈ জাহাজখনৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠিছিল।
5


এতিয়া জন্তুবোৰ আহিল। কোন কোন প্ৰজাতিৰ সাত বিধ আন কিছুমানৰ দুবিধ লৈছিল। বৃহত্ আৰু সৰু আকাৰৰ চৰাইবোৰ, ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু উখ, উখ পশুবোৰ জাহাজখনলৈ আগবাঢ়িব ধৰিলে।
6


জন্তু আৰু পশুবোৰ জাহাজ উঠাওতে লোকবিলাকে নিশ্চয়ে নোহক ঠাট্টা আৰু তিৰস্কাৰ কৰি চিঞৰিছিল। ঈশ্বৰৰ অহিতে পাপ কৰিবলৈ তেওঁলোকে বাদ দিয়া নাছিল। জাহাজত সোমাবলৈ তেওঁলোকে নোহৰ অনুমতি বিচৰা নাছিল।
7


অৱশেষত সকলোবোৰ জন্তু,
পশু আৰু চৰাইবোৰ জাহাজখনত সোমাই পৰিল। ঈশ্বৰে নোহৰ নিমন্ত্ৰণ কৰিলে, “জাহাজখনলৈ সোমাই আহাঁ”। “তুমি আৰু তোমাৰ পৰিয়াল”। নোহ, তেওঁৰ তিনিজন পুত্ৰ আৰু তেওঁলোকৰ ভাৰ্য্যাসকলে জাহাজখনত প্ৰবেশ কৰিলে। তাৰ পাছত ঈশ্বৰে জাহাজখনৰ দুৱাৰখন বন্ধ কৰি দিলে!
8


তাৰ পিছত বৰষুণ আহিল। চল্লিশ দিন আৰু চল্লিশ ৰাতি ধাৰাষাৰ বৰষুণে পৃথিৱীখন বুৰাই পেলাইছিল। জলপ্লাৱনে নগৰ আৰু গাওঁবোৰ বুৰাই পেলাইছিল। যেতিয়া বৰষুণ এৰিলে, তেতিয়া পৰ্ব্বতসমূহো পানীৰ তলত বুৰ গৈ আছিল। উশাহ-নিশাহ লোৱা সকলোৰ মৃত্যু হৈছিল।
9


পানী ওপৰলৈ উঠি অহাত, জাহাজখন উপঙিবলৈ ধৰিলে। ভিতৰখন অন্ধকাৰ, উখোৰা-মোখোৰা আৰু হয়তো ভয় লগাও আছিল। কিন্তু জাহাজখন নোহক জলপ্লাৱনৰ সময়ত আশ্ৰয় দিছিল।
10


জলপ্লাৱনৰ পাঁচ মাহৰ পিছত, শুকাবলৈ ঈশ্বৰে বতাহ বলোৱালে। ধীৰে ধীৰে, ওখ পৰ্ব্বত মালা অৰাৰটত জাহাজখন ৰৈ গ'ল। পানী কমি নহালৈকে নোহ আৰু চল্লিশ দিন জাহাজখনৰ ভিতৰত থাকিল।
11


জাহাজখনৰ খোলা খিড়িকীৰে নোহে এজনী ঢোঁৰা কাউৰী আৰু কপৌ চৰাই উড়ুৱাই পঠালে। জিৰণি লবলৈ শুকান, পৰিস্কাৰ ঠাই বিচাৰি নোপোৱাত, কপৌ চৰাই জনী নোহৰ ওচৰলৈ উভতি আহিছিল। এসপ্তাহৰ পিছত নোহে পুনৰ চেষ্টা কৰিলে। জিত বৃক্ষৰ এখিলা নতুন পাত ঠোঁটত লৈ কপৌজনী উভতি আহিছিল। পিছৰ সপ্তাহত নোহে বুজিছিল যে পৃথিৱীৰ পানী শুকাইছে কিয়নো কপৌজনী আৰু উভতি নাহিল।
12


ঈশ্বৰে নোহক কলে যে, এতিয়া জাহাজখনৰ পৰা ওলাই অহা সময় হৈছে। নোহ আৰু তেওঁৰ পৰিয়ালে একেলগে মিলি জাহাজখনৰ পৰা জন্তুবোৰ ওলাই আনিলে।
13


নিশ্চয়ে নোহ বৰ কৃতজ্ঞ হৈছিল। তেওঁ এক যজ্ঞবেদী নিৰ্ম্মাণ কৰি, ঈশ্বৰৰ আৰাধনা কৰিলে, যি জনাই তেওঁ আৰু তেওঁৰ পৰিয়ালক ভয়ানক জলপ্লাৱনৰ পৰা ৰক্ষা কৰিলে।
14



ঈশ্বৰে নোহলৈ
এক আচৰিত প্ৰতিজ্ঞা
কৰিছিল। মানুহৰ পাপৰ
বিচাৰ কৰিবলৈ তেওঁ
কেতিয়াও জলপ্লাৱন নপঠাই।

ঈশ্বৰে তেওঁৰ প্ৰতিজ্ঞাৰ
এক মহান সুঁৱৰণি দিছিল।
মেঘ ধনুৱে ঈশ্বৰৰ
প্ৰতিজ্ঞাৰ চিহ্ন আছিল।





জলপ্লাৱনৰ পিছত নোহ
আৰু তেওঁৰ পৰিয়ালে
আৰম্ভণিৰ কাৰণে নতুন নতুন পথ
বিচাৰি পাইছিল। সময়ত তেওঁৰ বংশধৰ
সকলে গোটেই পৃথিৱী জুৰিলে।
পৃথিৱীৰ সকলোবোৰ জাতি
তেওঁৰ সন্তানসকলৰ পৰাই
উৎপন্ন হৈছিল।



নোহ আৰু মহা জলপ্লাৱন

ঈশ্বৰৰ বাক্য, বাইবেলত

এই কাহিনী পোৱা যায়

আদিপুস্তক ৬ – ১০ অধ্যায়

"তোমাৰ বাক্য প্ৰকাশে দীপ্তি দিয়ে।"
গীতমালা ১১৯:১৩০ পদ



# সমাপ্ত

3 60



বাইবেলৰ এই কাহিনীয়ে আমাক আমাৰ আশ্চৰ্য্যজনক ঈশ্বৰৰ বিষয়ে কয়,
যিজনাই আমাক নিৰ্ম্মাণ কৰিলে আৰু যি জনাই আমি তেওঁৰ বিষয়ে জনাতো বাঞ্ছা কৰে।

ঈশ্বৰে জানে যে আমি বেয়া কাম কৰিলো, যাক তেওঁ পাপ বুলি আখ্যা দিছে। পাপৰ শাস্তি হৈছে মৃত্যু, কিন্তু ঈশ্বৰে তোমাক ইমান প্ৰেম কৰে যে, তেওঁ নিজৰ একমাত্ৰ পুত্ৰ যীচুক পঠাই দিছিল, যাতে তেওঁ তোমাৰ পাপৰ কাৰণে শাস্তি পাই ক্ৰুচত মৃত্যু বৰণ কৰে। তাৰ পিছত যীচু জীৱিত হ'ল আৰু তেওঁৰ ঘৰ স্বৰ্গলৈ গ'ল। তুমি যদি যীচুত বিশ্বাস কৰা আৰু তোমাৰ পাপবোৰ ক্ষমা কৰিবলৈ কোৱা, তেতিয়া তেওঁ নিশ্চয়ে কৰিব! তেওঁ এতিয়াই আহি তোমাত নিবাস কৰিব, আৰু তুমি চিৰকাল তেওঁৰ লগত নিবাস কৰিবা।

তুমি যদি এই সত্যত বিশ্বাস কৰা, তেতিয়া ঈশ্বৰক এইদৰে কোৱা:
প্ৰিয় যীচু, মই বিশ্বাস কৰো যে, আপুনি ঈশ্বৰ, মোৰ পাপৰ কাৰণে মৃত্যু বৰণ কৰিবলৈ আপুনি মানুহৰ ৰূপ ধাৰণ কৰিলে, আৰু এতিয়া আপুনি আকৌ জীৱিত। মোৰ জীৱনলৈ আহঁক আৰু মোৰ পাপবোৰ ক্ষমা কৰক, যাতে এতিয়া মই নতুন জীৱন পাব পাৰো, আৰু এদিন চিৰদিনৰ কাৰণে আপোনাৰ লগত থাকিবলৈ আপোনাৰ ওচৰলৈ যাব পাৰো। আপোনাৰ বাধ্য হৈ আপোনাৰ সন্তানৰ দৰে আপোনাৰ কাৰণে জীয়াই থাকিবলৈ মোক সহায় কৰক। আমেন।

বাইবেলখন পঢ়া আৰু প্ৰতিদিনে ঈশ্বৰৰ লগত কথোপকথন কৰা!
যোহন ৩:১৬ পদ।